# এলঝেইমাৰ

**ডা° বিকাশ বৰুৱা**

মানুহজন মহা ফূৰ্তিবাজ। হাঁহি-ধেমালি কৰি থাকে। আড্ডা মাৰে। পূজা, বিহু, যিকোনো উৎসৱ বুলিলে আনন্দত অধীৰ হয়। আজিহে কিবা এটা ব্যতিক্ৰম। মুখত হাঁহি-চাঁহি নাই। দেখি আচৰিত হ'লোঁ। ৰাজ্যত তালফাল লগাই থকা মজাৰ মজাৰ বা-বাতৰিবোৰে মনত আনন্দহে দিব লাগিছিল। নিচেই সাধাৰণ টেটেৰা-মেমেৰা মানুহৰ ঘৰতো কোটিয়ে কোটিয়ে টকা ওলাইছে। কেজি হিচাপত সোণ। হীৰা। চাকৰিটো নাপাওঁতেই প্ৰাৰ্থীয়ে কেইবালাখকৈ টকা 'ওপৰৱালা'ক উপঢৌকন দিব পৰা হৈছে। পৰীক্ষাত বহাৰ আগতেই প্ৰশ্নকাকত আহি হাতে হাতে পৰে। যিকোনো উপায়েৰে চাকৰিটো পোৱাত ওপৰৱালাসকলেই সহায় কৰি দিয়ে। সাতে-পাঁচে মিলি মুলুকৰ অৱস্থান ৰামৰাজ্যতকৈ বহুত ওপৰত। ইয়াত প্ৰজাই দুখ কৰি থকাৰ কোনো কাৰণেই থাকিব নোৱাৰে। গতিকে সুধিয়ে পেলালোঁ। 'কি কথা.. মনটো মাৰি আছে যে?'

"এ নক'ব আৰু। বৰ দুখ লাগিছে।"

"নক'বলৈ কৈছে যেতিয়া নকওঁ বাৰু। পিছে কেনেকুৱা দুখনো?"

"ইমান কম বয়সতে মানুহবোৰৰ এলঝেইমাৰ হ'বলৈ লৈছে চাওকচোন। ভয়ংকৰ ঘটনা। দুখ নালাগিব?"

"কাৰ এলঝেইমাৰ হ'ল?"

"কিয়, স্বয়ং স্বাস্থ্যমন্ত্ৰীজনাৰে হোৱা নাই জানো? উদাত্ত কণ্ঠেৰে ৰাইজক ক'লে— কৰ'নাৰপৰা যদি বাচি থাকিব লাগে, প্ৰত্যেকেই মুখা পিন্ধক, হাত ধোৱক, ইজনে সিজনৰপৰা আঁতৰি থাকক..। দুঘণ্টা পাছত নিজে গৈ এসোপা মানুহৰ মাজত হিৰ' হৈ আছে। সেইসকলে দূৰে দূৰে থকা দূৰৰে কথা, 'দাদা দাদা'কৈ আহি গাতে উঠিল। এলঝেইমাৰ নহয় আৰু কি? ইফালে অসম আৰু অসমীয়াৰ নামত আন্দোলন কৰি, অসম চুক্তি কৰি ৰাজভোগ খাই থকা জাতীয়তাবাদীৰো এলঝেইমাৰ। জাতি, মাটি, ভেটি সকলো পাহৰিলে। 'জয় আই অসম' পাহৰিলে। নিজৰ ভাষাটো, আখৰৰ উচ্চাৰণ পাহৰিলে। সমুজ্জ্বলক চমুজ্জ্বল কয়। গণ পৰিষদক এজিপি, জাতীয় পৰিষদক এজেপি, ছাত্ৰ সন্থাক আছু, যুব পৰিষদক এজেৱাইছিপি, সমুবাক আলফা কয়।

দেশৰ কথাচহকী মহামন্ত্ৰীজনৰ এলঝেইমাৰ। চিঞৰি চিঞৰি ক'লে— বাংলাদেশীক খেদি টালিয়ে-টোপোলাই মুলুকৰপৰা বাহিৰ কৰি দিব। পাছদিনাই পাহৰি থাকিল। কেইলাখমান আকৌ আনিম বুলিহে কৈছে। ছুইছ বেংকৰপৰা দুই নম্বৰী ক'লা টকাৰ পাহাৰটো আনি ৰাইজৰ মাজত বিলাই দিয়াৰ কথা আছিল। পাহৰিলে। ব্ৰহ্মপুত্ৰ খান্দি এক্সপ্ৰেছ হাইৱে' নিৰ্মাণ কৰিব বুলিছিল। পাহৰিলে। 'ছয় নম্বৰ দফা' পাহৰিলে। ৰাস্তাৰ গাঁত, কেলেংকাৰী, স্বচ্ছ ভাৰত, চকীদাৰ, শূন্য সহনশীলতা, লুই বাৰ্জাৰ, সাৰদা, কাগজ কল, একোৱেই মনত নাই।

পি কে দত্তৰ এলঝেইমাৰ। ঠিকনা পাহৰি নেপাল পাইছেগৈ। অক্ষয় চান্দৰ এলঝেইমাৰ। ঘৰ বিচাৰি নাপাই হস্পিটেলত গৈ পৰি আছে। সন্তানে পিতৃ-মাতৃক পাহৰিছে। ছাত্ৰই শিক্ষকক পাহৰিছে। প্ৰেমিকাই প্ৰেমিকক পাহৰিছে।

একালত এই মুলুকতে এজনা 'জাতীয় নায়ক'ৰ আৱিৰ্ভাৱ হৈছিল। হিন্দী ছিনেমা কৰণ-অৰ্জুনৰ ষ্টাইলত সাইলাখ লাচিত বৰফুকনেই ওলালহি বুলি আৰু সেয়া ঈশ্বৰৰে আশীৰ্বাদ বুলি ধৰি লৈ ৰাইজে সেইজনাক বীৰৰ দৰে আদৰিছিল। তেৰোঁ লাচিতৰ দৰেই বিদেশী বঙালৰ বিৰুদ্ধে যুঁজিম বুলি কৈছিল। পিছে মগজুৰ অন্দৰমহলত অকালতে আৰম্ভ হোৱা ভয়াবহ বেমাৰটোৰ ফলত সকলো পাহৰিলে। এতিয়া হিপন'টাইজড মানুহৰ দৰে নাগপুৰৱালা, দিল্লীৱালা 'জী'সকলৰ পিছে পিছে লাগি ফুৰে। ভৰিত পৰি ভক্তি ভাৱেৰে সেৱা কৰে। কপালত ফোট লয়। গেৰুৱা বসন পৰিধান কৰে। বৰাক পূজন, কামাখ্যা পূজন, ভূমি পূজন, নমামিকে আদি কৰি পূজা-সেৱাত মগন হৈ থাকে। নোহোৱা-নোপজা 'অতিৰুদ্ৰ যজ্ঞ'ৰ আয়োজন কৰি ভক্তিপূৰ্ণ আহুতি দিয়ে।

মাজতে এজন মহানায়কে পতলুং পিন্ধিবলৈ পাহৰিলে। কেইবাদিনো গামোচা পিন্ধিয়ে মঞ্চত উঠিল।

শ্ৰীমান কলিকতীয়াই মায়া নগৰীত ৰাণু মণ্ডলক দেখা পাই উত্তেজনাত নিজৰ মুখমণ্ডল আৰু চৌপাশৰ বায়ুমণ্ডল পৰ্যন্ত পাহৰি গ'ল। কৈ দিলে, মণ্ডলনী আইদেউ হেনো লতা-আশাতকৈও ওপৰত।

এজনা কংগ্ৰেছী মন্ত্ৰীক গেৰুৱা ৰজাই তিহাৰ জে'লত বন্দী কৰি থ'লে। কংগ্ৰেছৰ বাদেও যে দেশত এটা গেৰুৱা দল আছে, মন্ত্ৰীৰ মনতে নপৰিল। সিটো এৰি এইটোত সোমাই দিয়া হ'লেই বাপুকণৰ সাত খুন মাফ হৈ যায়। পাহৰণি ৰোগত বেয়াকৈ ভুগি থকা গেৰুৱা দলটোৱে সমস্ত কেলেংকাৰী সুন্দৰকৈ পাহৰি পেলালেহেঁতেন। ইমানদিনে কিমানৰ পাহৰিলে হিচাপেই নাই।

চুবুৰিৰে নাৰায়ণ গোসাঁয়েও এজন চোকা ল'ৰাৰ কথা কৈ দুখ কৰিলে। "চাওকচোন, বুদ্ধিত চোকা, পঢ়া-শুনাত চোকা, কথা-বতৰাত চোকা, তৰ্কত চোকা, ৰাজনীতিত চোকা, অৰ্থনীতিত চোকা.. সেইহেন সোণগুটি ল'ৰাটোৰো ইমান কম বয়সতে এলঝেইমাৰ হ'ব লাগেনে? একালত কি আছিল, ক'ত কেতিয়া কি কৰি ফুৰিছিল সকলো পাহৰিলে। কথাটো ভাবিলে তীব্ৰ বেদনাত বুকু ছিৰাছিৰ হৈ যায়। শোকে কেৱল ডিঙিটোক খুন্দা মাৰি ধৰাই নহয়, বুকু, পেট, পিঠি, লিভাৰ, কিডনি, প্ৰষ্টেট আদিকো হেঁচা মাৰি ধৰে। নিজে কি তাকেই পাহৰি ৰাস্তাত নাচি ফুৰে। গান গায়। সিদিনা কাৰোবাক সুধিছে—'অমুক কোন?' আচৰিত কথা, এসময়ত সেই 'অমুক'জন একেখন মন্ত্ৰীসভাৰে সদস্য আছিল। একেলগে বহিছিল, খাইছিল, পিছিল, সুখ-দুখৰ সমভাগী হৈছিল। তেনেহেনজনকে পাহৰি গ'ল।"

সিটো দল এৰি সোণগুটি কেতিয়া এইটোত সোমাইছিলহি মনত পেলাবলৈ চেষ্টা কৰিলোঁ।

"এ.. সৌ সিদিনা মাত্ৰ। ইমান কম সময়তেই লগৰীয়াক পাহৰিছে, গুৰুজনাক পাহৰিছে, নিজৰ কীৰ্তি-কাহিনী পাহৰিছে। জনতাৰ সন্মুখত বীৰদৰ্পৰে থিয় হৈ কৈছিল—'মহামন্ত্ৰী মহা ফাকিবাজ। ইটো কৰিম সিটো কৰিমকৈ বহুত কথা কয় কিন্তু একো নকৰে। জনতাক ঠগি খায়। তেওঁৰ ৰাজ্যত পানীৰ পাইপেৰে তমুকৰ তেজ বয়..।' শুনি আমি কিমান ভাল পাইছিলোঁ। সেই সময়ত সেইবিলাক একো একোটা দুৰ্দান্ত ঐতিহাসিক সংলাপ। এই ধৰণৰ কথা খাৰাংখাচকৈ কৈ দিব পৰাৰ সাহস কেইজন মানুহৰ থাকে? কিন্তু বেচেৰাটোৱে তাকো পাহৰি গ'ল। এতিয়া সেই ফাকিবাজৰে কোলাত গৈ থমথমকৈ বহি আছে।"

এৰা, কথাটো বেচ ডাঙৰেই। কাৰণ এলঝেইমাৰ এনেকুৱা এটা বেমাৰ যাৰ চিকিৎসাও নাই। হ'ল মানেই গ'ল। কাৰো ৰক্ষা নাই। চিনাকি ৰোগীবোৰলৈ মনত পৰিলে কিয় দুখ নালাগিব?

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১,
ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com